# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-12-2025
**Time :** 1100 Hrs.

# *Assamese Morning Bulletin*

০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত কামৰূপ মহানগৰ জিলা আৰু ছেছন ন্যায়াধীশৰ আদালতত আজি প্ৰথমটো শুনানি গ্ৰহণ কৰা হ'ব। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি বাক্সা আৰু হাফলঙৰ কাৰাগাৰত বন্দী হৈ থকা সাতজন অভিযুক্তক ভাৰ্চুৱেল ব্যৱস্থাৰে আদালতত হাজিৰ কৰোৱা হ'ব। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত হত্যা সম্পৰ্কীয় ধাৰা সন্নিৱিষ্ট হৈ থকাৰ পৰিপ্ৰেক্ষিতত মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে যোৱা ১৬ ডিচেম্বৰত সমগ্ৰ বিষয়টো বিচাৰৰ বাবে ছেছন ন্যায়াধীশৰ আদালতলৈ প্ৰেৰণ কৰে।

০০০০০০

ৰাজ্য চৰকাৰৰ নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে আজি বিভিন্ন বিভাগৰ ৩ হাজাৰ ৪২০ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। খানাপাৰাৰ পশু চিকিৎসা  বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত এই নিযুক্তি পত্ৰ প্ৰদান অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে মন্ত্ৰী অশোক সিংহল আৰু প্ৰশান্ত ফুকন উপস্থিত থাকিব। অনুষ্ঠানত চিকিৎসা শিক্ষা আৰু গৱেষণা সঞ্চালকালয়ৰ অধীনত এহেজাৰ ৯৯৮ গৰাকী, স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ অধীনত ৮২৮ গৰাকী, স্বাস্থ্যসেৱা (পৰিয়াল কল্যাণ) সঞ্চালকালয়ৰ ৫৯২ গৰাকী আৰু আয়ুষ সঞ্চালকালয়ৰ অধীনত দুগৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব।

উল্লেখযোগ্য যে, আজি নিযুক্তি লাভ কৰিবলগীয়া প্ৰাৰ্থীসকলৰ সৈতে সৰ্বমুঠ ১ লাখ ৪৫ হাজাৰ ৪৪৯ গৰাকী ব্যক্তিয়ে বৰ্তমানলৈকে নিযুক্তি লাভ কৰিছে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি লোকসেৱা ভৱনৰ সভাকক্ষত উচ্চ ক্ষমতাসম্পন্ন বিনিয়োগ সমিতিৰ এখন বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত মুখ্যমন্ত্ৰীয়ে প্ৰায় ৩০ হাজাৰ কোটি টকাৰ  কেইবাটাও বিনিয়োগৰ প্ৰস্তাৱৰ পৰ্যালোচনা কৰে। ড০ শৰ্মাই লগতে বিনিয়োগকাৰীসকলৰ প্ৰস্তাৱসমূহ যাতে খৰতকীয়াকৈ বাস্তৱায়িত হোৱাৰ দিশত আগবাঢ়ে তাৰ বাবে বিনিয়োগকাৰীসকলৰ সমস্যা আৰু প্ৰস্তাৱৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে এই সন্দৰ্ভত সংশ্লিষ্ট বিভাগসমূহক যাৱতীয় নিৰ্দেশনা প্ৰদান কৰে। বৈঠকত মুখ্য সচিব ড০ ৰবি কোটা, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব ড০ কে কে দ্বিৱেদী, মন্ত্ৰী বিমল বৰাকে দৰি বহুকেইগৰাকী ব্যক্তি উপস্থিত থাকে।

০০০০০০

মাদকদ্ৰব্যৰ বিৰুদ্ধে অসম আৰক্ষীয়ে অভিযান তীব্ৰতৰ কৰি তুলিছে। ৰাজ্যৰ বিভিন্ন অঞ্চলত প্ৰায় প্ৰতিদিনে আৰক্ষীয়ে বুজন পৰিমাণৰ মাদকদ্ৰব্য জব্দ কৰাৰ লগতে সৰবৰাহকাৰীক আটক কৰিছে। কাছাৰ

আৰক্ষীয়ে যোৰা নিশা অভিযান চলাই ৫১৯ গ্ৰাম হেৰ'ইনসহ চাৰিজন সৰবৰাহকাৰীক আটক কৰে। আৰক্ষীয়ে লোককেইজনক জেৰা অব্যাহত ৰাখিছে।

ইপিনে, লিডু আৰক্ষীয়ে কালি বিয়লি লিডু আৰক্ষী চকীৰ সমীপৱৰ্তী এলেকাত অভিযান চলাই বহুখিনি মাদকদ্ৰব্য জব্দ কৰাৰ লগতে দুজন সৰবৰাহকাৰীক আটক কৰে। ধৃত লোক দুজন অৰুণাচল প্ৰদেশৰ খাৰছাঙৰ মাৰছাং নাগ য়াইমং আৰু টুকাম টাইছাই বুলি আৰক্ষীয়ে জনাইছে। দুয়োজন লোকে দীৰ্ঘদিন ধৰি অঞ্চলটোত মাদক দ্ৰব্যৰ যোগান ধৰি আহিছিল বুলি আৰক্ষীৰ সূত্ৰত প্ৰকাশ।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে চলিত বৰ্ষত দ্বিতীয়বাৰলৈ ৰে'লৰ টিকটৰ মাচুল বৃদ্ধিৰ সিদ্ধান্ত লৈছে। অহা ২৬ ডিচেম্বৰৰ পৰা দূৰনীবটীয়া যাত্ৰীবাহী ৰে'লৰ ভাৰাৰ নতুন নিৰিখ কাৰ্যকৰী হ'ব বুলি ৰে'ল মন্ত্ৰালয়ৰ সূত্ৰত প্ৰকাশ পাইছে। ইয়াৰ পূৰ্বে জুলাইত দূৰণীবটীয়া মেইল আৰু এক্সপ্ৰেছৰ ভাৰা বৃদ্ধি কৰা হৈছিল। প্ৰতি কিলোমিটাৰৰ ভিত্তিত সংৰক্ষিত আৰু অসংৰক্ষিত টিকটৰ ভাৰা বৃদ্ধি হ'ব। দূৰণীবটীয়া ৰে'লৰ সাধাৰণ শ্ৰেণীৰ ক্ষেত্ৰত প্ৰথম ২১৫ কিলোমিটাৰ পৰ্যন্ত ভাৰাৰ কোনো সালসলনি নহয়।

০০০০০০

মহিলাৰ সুৰক্ষা আৰু অধিকাৰ বিষয়ত সজাগতা সৃষ্টিৰ উদ্দেশ্যে ৰাজ্যিক মহিলা আয়োগৰ উদ্যোগত আজি কামৰূপ জিলাত বিশ্বাস যাত্ৰা উলিওৱা হয়। কামৰূপ সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা উলিওৱা বিশ্বাস যাত্ৰাৰ কাৰ্যসূচী জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই উদ্বোধন কৰে। অনুষ্ঠানত অংশ লৈ অসম ৰাজ্যিক মহিলা আয়োগৰ অধ্যক্ষা আঙুৰলতা ডেকাই জিলা প্ৰশাসনৰ কৰ্মচাৰীসকলৰ সৈতে মত-বিনিময় কৰে। কামৰূপ জিলাৰ পাৰ আৰম্ভ কৰা এই বিশ্বাস যাত্ৰাত দৰং, ওদালগুৰি আৰু তামুলপুৰ জিলাক সামৰি লোৱা হ'ব।

০০০০০০

**সমাপ্ত**